
কাৰ ভাগত কিমান গাখীৰ আছে




মাজনীয়ে মাকৰ কথাখিনি মানি নোলোৱাত মাকে দুয়োকে গাখীৰখিনি একে জোখৰ দুটা পাত্ৰত ঢালি দেখুৱালে।






মাজনী আৰু মইনাই কাপ আৰু গিলাচত সমান পৰিমাণৰ গাখীৰ আছে বুলি বুজি পালে। দু... আনন্দ মনেৰে গাখীৰখিনি খালে। গাখীৰ খাই দুয়োৱে কেইকাপ পানী আৰু কেইগিলাচ পানী ঢা... সিঁহতৰ পাকঘৰৰ জগটো ভৰ্তি হ'ব জুখিলে।

নিজে কৰি চোৱা

কেইটা কাপ, কেইটা গিলাচ, কেইটা মগ আৰু কেইটা জগ পানী ঢালিলে এটা বাল্টি পূৰ হ'ব লিখ...



জানি লওঁ আহা। তৰল পদাৰ্থৰ পৰিমাণ জুখিবলৈ লিটাৰ, মিলিলিটাৰ আদি একক ব্যৱহাৰ কৰা হয়। কম তৰল পৰিমাণ জুখিবলৈ মিলিলি... বেছি তৰল পৰিমাণ জুখিবলৈ লিটাৰ একক ব্যৱহাৰ কৰা হয়। লিটাৰ আৰু মিলিলিটাৰক চমুকৈ লি আৰু মি.লি বুলি লিখা হয়।

কম পৰিমাণৰ (মিলিলিটাৰ) জুলীয়া বস্তু ধৰা পাত্ৰবোৰ চাওঁ আহা



বেছি পৰিমাণৰ (লিটাৰ) জুলীয়া বস্তু ধৰা পাত্ৰবোৰ চাওঁ আহা



তলৰ পাত্ৰবোৰত থকা জুলীয়া বস্তুৰ পৰিমাণ লিটাৰ নে মিলিলিটাৰত জুখিবা লিখা



লিটাৰ ------------   ------------   ------------   ------------



------------   ------------   ------------   ------------



## পেকেট আৰু বটলত থকা বস্তুৰ পৰিমাণ চাই খালী ঠাই পূৰ কৰোঁ আহা

***শিক্ষকলৈ নিৰ্দেশনা :*** *শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলত ভগাই ল'ব। কিছুমান গোটাই থোৱা পেকেট আৰু বটল ছাত্ৰ-ছাত্ৰীক দিব। ছ সেইবোৰ ভালদৰে চাব আৰু পৰিমাণবোৰ ক'ব আৰু লিখিব।*




................   ................   ................



................   ................   ................

## অনুমান কৰা আৰু তাৰ পিছত তোমাৰ অনুমান শুদ্ধ নে অশুদ্ধ চোৱা।

***শিক্ষকলৈ নিৰ্দেশনা :*** *ছাত্ৰ-ছাত্ৰীক বিভিন্ন আকাৰৰ পাত্ৰবোৰত কিমান পানী ধৰিব অনুমান কৰিবলৈ দিব আৰু পাছত ১০ মিলি চিৰিঞ্জ নাইবা ঔষধৰ বটলৰ দাগ থকা সাফৰৰ সহায়ত তেওঁলোকে অনুমান শুদ্ধ নে প্ৰমাণ কৰি চাবলৈ দিব।*



| পাত্ৰ | আনুমানিক পৰিমাণ | প্ৰকৃত পৰিম |
|---|---|---|
|  | | |
|  | | |
|  | | |
|  | | |

এতিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা

(ক) কাপটো ভৰ্তি হ'বলৈ কেই সাঁফৰ পানী দিব লাগিব? ............................ সাঁফৰ।

(খ) গিলাচটো ভৰ্তি হ'বলৈ কেই কাপ পানী দিব লাগিব? ............................ কাপ।

(গ) গিলাচটো ভৰ্তি হ'বলৈ কেই বাটি পানী দিব লাগিব? ............................ বাটি।

(ঘ) কাঁহীখন ভৰ্তি হ'বলৈ কেই কাপ পানী দিব লাগিব? ............................ কাপ।

**পানীৰামে কিমান গাখীৰ দিলে চাওঁ আহা**

ৰীমাহঁতৰ ঘৰত পানীৰামে সদায় এক লিটাৰ গাখীৰ দিয়ে। তেওঁ ২৫০ মিলিলিটাৰৰ পাত্ৰৰে ৪ বাৰ গাখীৰ ঢালে



ৰীমাই ২৫০ মিলিলিটাৰ ৪ বাৰ যোগ কৰি কিমান পালে চাওঁ আহা

২৫০ মিলি + ২৫০ মিলি + ২৫০ মিলি + ২৫০ মিলি = ১০০০ মিলি

= ১ লিটাৰ

**কাৰণ ৰীমাই জানে যে ১০০০ মিলি = ১ লিটাৰ**

**মিলিলিটাৰক লিটাৰলৈ পৰিৱৰ্তন কৰোঁ আহা**

২০০০ মিলি = ১০০০ মিলি + ১০০০ মিলি

= ১ লিটাৰ + ১ লিটাৰ

= ২ লিটাৰ

**এতিয়া নিজে কৰা**

(ক) ২০০০ মিলি = ............................ লিটাৰ

(খ) ৪৫০০ মিলি = ............................ লিটাৰ



**খেৰত দিয়া মিলিলিটাৰ (মিলি)ৰ লগত কিমান যোগ কৰিলে ১ লিটাৰ পাবা**

৮৫০ মিলি | ১৫০ মিলি

৪৫০ মিলি | ........

৭০০ মিলি | ........




৬৩০ মিলি | ........

৭২০ মিলি | ........

৯০০ মিলি | ........

**২৫০ মিলিলিটাৰৰ পাত্ৰ এটা নিজে সাজি লওঁ আহা**

**প্ৰয়োজনীয় সামগ্ৰী**



(ক) ৫০০ মিলিলিটাৰৰ পানীৰ খালী বটল এটা

(খ) কটাৰী এখন

(গ) ছিৰিঞ্জ এটা (১০ মিলিলিটাৰ জোখৰ) বা দাগ থকা ঔষধৰ বটল

(ঘ) কলম বা ৰং পেঞ্চিল এডাল

**কেনেকৈ সাজিবা**

- বটলটোৰ মুখখন কাটি লোৱা।
- ১০ মিলিলিটাৰ জোখৰ ছিৰিঞ্জটোৰে বটলটোত পানী দি এটা দাগ দিয়া।
- এনেদৰে ২৫ বাৰ পানী দি প্ৰত্যেকবাৰ দাগ দি যোৱা।

  (১০ মিলি × ২৫ = ২৫০ মিলিটাৰ)
- ওপৰৰ দাগটোত বটলটো কাটি লোৱা।
- এতিয়া এটা ২৫০ মিলিলিটাৰৰ পাত্ৰ পাবা।



লত আলোচনা কৰি উলিওৱা

ক) ১ লিটাৰ জোখৰ পাত্ৰ এটা পানীৰে পূৰাবলৈ ১০০ মি লিৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

) ২ লিটাৰ জোখৰ পাত্ৰ এটা পানীৰে ভৰ্তি পূৰাবলৈ ২৫০ মি লিৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

) ৫ লিটাৰ জোখৰ পাত্ৰ এটা পানীৰে ভৰ্তি পূৰাবলৈ ৫০০ মি লিৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

) ৪ লিটাৰজোখৰপাত্ৰ এটা পানীৰে ভৰ্তিপূৰাবলৈ ১ লিটাৰ পাত্ৰৰে কেইবাৰ পানী দিব লাগিব?

নি লওঁ আহা

নী, গাখীৰ, মিঠাতেল, কেৰাচিন, পেট্ৰ'ল আদি জুলীয়া বস্তু জুখিবলৈ আমি মিলিলিটাৰ, লিটাৰ দি এককবোৰ ব্যৱহাৰ কৰোঁ। জুলীয়া বস্তু জোখা কিছুমান পাত্ৰ চাওঁ আহা



ৰ পাত্ৰকেইটাত থকা পানীৰ পৰিমাণ কমৰ পৰা বেছিলৈ সজোৱা

৫০ মি লি ১০০০ মি লি ২ লিটাৰ ৫০০ মি লি ৫ লিটাৰ

 কৰা

(ক) ৫ লিটাৰ ৪০ মি লি
\+ ৩ লিটাৰ ২০ মি লি

(খ) ৬ লিটাৰ ৭০ মি লি
\+ ৪ লিটাৰ ২৫ মি লি

(গ) ২ লিটাৰ ৪০ মি লি
\+ ৫ লিটাৰ ৫০ মি লি

(ঘ) ২ লিটাৰ ৩০ মি লি
\+ ৭ লিটাৰ ৬০ মি লি



বিয়োগ কৰা

(ক) ৪ লিটাৰ ৮০ মি লি
− ২ লিটাৰ ৪০ মি লি

(খ) ৭ লিটাৰ ৭৫ মি লি
− ৪ লিটাৰ ২৫ মি লি

(গ) ১৬ লিটাৰ ৫০ মি লি
− ৫ লিটাৰ ৩০ মি লি

(ঘ) ১২ লিটাৰ ৮৫ মি লি
− ৭ লিটাৰ ৪৫ মি লি

**সমস্যা সমাধান কৰোঁ আহা**

(ক) ৰিমনৰ দেউতাকে এটা ৫০০ মিলি লিটাৰৰ পানীৰ বটল আৰু এটা ২০০ মিলি লিটাৰৰ কমলাৰ ৰসৰ বটল কিনিলে। বটল দুটাত কিমান জুলীয়া বস্তু আছে?

| | |
|---|---|
| পানীৰ বটলত | = ৫০০ মি লি পানী |
| কমলাৰ ৰসৰ বটলত | = ২০০ মি লি কমলাৰ ৰস |
| মুঠ | = ৭০০ মি লি জুলীয়া বস্তু |

(খ) ঋণজুনৰ জন্মদিনৰ বাবে তাইৰ মাকে ১৫ লিটাৰ গাখীৰ আনিছিল। তাৰে ১০ লিটাৰ ... বাবে আৰু ৩ লিটাৰ চাহৰ বাবে খৰচ কৰিলে। দিনটোৰ শেষত ঋণজুনহঁতৰ ঘৰত ... গাখীৰ থাকি গ'ল?

(গ) বিদ্যালয়লৈ আহোঁতে ৰাতুলে প্ৰতিদিনে বটলত ১ লিটাৰকৈ পানী আনিলে, ৬ দি... কিমান পানী আনিব?

(ঘ) বৰষুণ দিয়াৰ সময়ত বৃষ্টিয়ে ১৫ লিটাৰৰ বাল্টি এটাৰে ৫ বাল্টি পানী সংগ্ৰহ কৰিলে... মুঠতে কিমান লিটাৰ বৰষুণৰ পানী ধৰিলে?

(ঙ) নাজমাহঁতৰ ঘৰত বন্ধাৰ বাবে দিনে ২৫ লিটাৰ পানী আৰু খোৱাৰ বাবে ১৭ লিটাৰ পা... হয়। ১৫ দিনত তেওঁলোকৰ মুঠ কিমান লিটাৰ পানী খৰচ হয়।

(চ) এখন বাগিচাত প্ৰতিদিনে ১২০ লিটাৰকৈ পানী দিলে এসপ্তাহত বাগিচাখনত দিবলৈ কিম... লাগিব?

(ছ) লংছিহঁতৰ ঘৰৰ গাইজনীয়ে সপ্তাহত ৭০ লিটাৰ গাখীৰ দিয়ে। গাইজনীয়ে এদিনত ... লিটাৰকৈ গাখীৰ দিয়ে?

(জ) দীপুৰ মাকে ২ লিটাৰ ৫০০ মিলিলিটাৰ জোখৰ কেটলি এটাত দীপুক পানী ভৰাবলৈ ... সি এটা বটলৰ সহায়ত ৫ বটল পানী দি কেটলিটো পূৰ কৰিলে। বটলটোৰ জোখ কি...